# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-OCT-2025
**Time :** 1800 HRS

# ***Assamese Evening Bulletin***
**-------------------**

০০০০০

জলসম্পদ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই আজি ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কবলত পৰা ফুলবাগানৰ কাছাৰীঘাট পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। জলসম্পদ বিভাগে এই অংশটো সম্পূৰ্ণৰূপে বিপদমুক্ত কৰিবলৈ যুদ্ধকালীন ক্ষিপ্ৰতাৰে কাম কৰি আছে বুলি তেওঁ সাংবাদিকৰ আগত প্ৰকাশ কৰে। খহনীয়া প্ৰতিৰোধৰ বাবে বিভাগটোত পৰ্যাপ্ত সামগ্ৰী মজুত আছে বুলি উল্লেখ কৰি শ্ৰীহাজৰিকাই কয়, যে ডিব্ৰুগড়ৰ প্ৰায় সকলো স্থানতে ব্ৰহ্মপুত্ৰৰ পাৰত খহনীয়া প্ৰতিৰোধৰ কাম চলি আছে। বিগত দুবছৰত ডিব্ৰুগড় চহৰৰ সুৰক্ষাৰ বাবে প্ৰায় ৩৭৫ কোটি টকা ব্যয় কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ব্ৰহ্মপুত্ৰৰ গভীৰতাৰ বাবে ইয়াৰ গতিবেগক সম্পূৰ্ণৰূপে প্ৰতিৰোধ কৰাটো সম্ভৱ নহয় যদিও ৯০ শতাংশ কাম এইক্ষেত্ৰত সফল হৈছে। ডিব্ৰুগড় নগৰৰ ফুলবাগানৰ সমীপৰ সুৰক্ষা বান্ধৰ নিচেই কাষতে হোৱা খহনীয়াৰ ফলত প্ৰায় ৪০ মিটাৰ অংশ ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে। শ্ৰীহাজৰিকাই এই খহনীয়াৰ স্থায়ী সমাধানৰ বাবে সকলো ব্যৱস্থা লোৱা হ'ব বুলি জনসাধাৰণক আশ্বাস দিয়ে।

**বাইট (পীযূষ)**

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান নাৰী শক্তিক আত্মনিৰ্ভৰশীল কৰি তোলাৰ দিশত এটা আৰম্ভণি বুলি প্ৰকাশ কৰিছে। তেওঁ কয়, যে আত্মসহায়ক গোটৰ সদস্যা সকলক লাখপতি বাইদেউলৈ উন্নীত কৰাৰ বাবে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ধেমাজি জিলাৰ চিমেন চাপৰিত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত আত্মসহায়ক গোটৰ মহিলাসকলক উদ্যমিতা পুঁজিৰ ধন বিতৰণ কৰি দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। অসমৰ নাৰী সমাজে ৰাজ্যত অৰ্থনৈতিক বিপ্লৱৰ সূচনা কৰিছে বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে ভৱিষ্যতে ৪০ লাখ মহিলাই ৮৫ হাজাৰ টকা পৰ্যন্ত উদ্যমিতা পুঁজি লাভ কৰিলে অসমৰ গ্ৰাম্য অৰ্থনীতিত নিশ্চিতভাৱে যুগান্তকাৰী পৰিৱৰ্তন আহিব। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে চৰকাৰে কৃষি, পশুপালন, হস্ততাঁত আৰু হস্তশিল্পকে প্ৰমুখ্য কৰি বিভিন্ন ক্ষেত্ৰত মহিলা উদ্যোগীৰ বিকাশৰ জৰিয়তে গ্ৰামাঞ্চলত জীৱিকাৰ বিকল্প সম্ভাৱনাৰ প্ৰসাৰ ঘটোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ড০ শৰ্মাই আজি এই আঁচনিৰ অধীনত জোনাই বিধানসভা সমষ্টিৰ ৩৬ হাজাৰ ৮৮৬ গৰাকী হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। তেওঁ লগতে চৰকাৰী পলিটেকনিক প্ৰতিষ্ঠান আৰু আই টি আই কেন্দ্ৰসমূহক উৎকৃষ্টতাৰ কেন্দ্ৰ হিচাপে উন্নীতকৰণ আঁচনিৰ অধীনত ধেমাজি

পলিটেকনিক প্ৰতিষ্ঠানত নিৰ্মাণ কৰা মেৰামতি কেন্দ্ৰ আৰু প্ৰযুক্তি গৱেষণাগাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ডঃ শৰ্মাই ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ অধীনত পঞ্চদশ বিত্তীয় আয়োগৰ স্বাস্থ্য অনুদান আঁচনিৰ পুঁজিৰে ধেমাজি জিলাৰ চিমেন চাপৰি উপ-স্বাস্থ্য কেন্দ্ৰত ৩০ খন বিছনাযুক্ত সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলাও স্থাপন কৰে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত শুশ্ৰুষা সেতু শীৰ্ষক বিধানসভা সমষ্টি ভিত্তিক স্বাস্থ্য শিবিৰ মুকলি কৰি ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ লগতে অন্যান্য সকলৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হৈছে। ডিব্ৰুগড় বিধানসভা সমষ্টিৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ত আজি জিলাখনৰ দ্বিতীয়টো স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। স্বাস্থ্য মন্ত্ৰী অশোক সিংহাল আৰু ৰাজ্যৰ চিকিৎসা শিক্ষা মন্ত্ৰী প্ৰশান্ত ফুকনৰ উপস্থিতিত এই শিবিৰত কমেও ৫১খন বিদ্যালয় আৰু ১২৩টা অংগনবাড়ী কেন্দ্ৰৰ ১৮ বছৰ তলৰ প্ৰায় দুহেজাৰ ল'ৰা-ছোৱালীৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। এই শিশু আৰু কিশোৰ-কিশোৰীসকলৰ ৰোগ চিনাক্তকৰণৰ পৰৱৰ্তী পৰ্যায়ত উপযুক্ত চিকিৎসা প্ৰদান কৰা হ'ব। অহা ১৫ অক্টোবৰত নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত পি এম শ্ৰী নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আৰু ১৬ অক্টোবৰত খোৱাং সমষ্টিৰ অন্তৰ্গত কুটুহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এনে ধৰণৰ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। জিলা স্বাস্থ্য বিভাগে পিতৃ-মাতৃ, অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক ১৮ বছৰ তলৰ ল'ৰা-ছোৱালীক এই শিবিৰলৈ আনি স্বাস্থ্য পৰীক্ষা কৰোৱাবলৈও আহ্বান জনায়।

যোৰহাট জিলা প্ৰশাসন আৰু টীয়ক সমজিলা প্ৰশাসনৰ উদ্যোগত তথা যোৰহাট জিলা স্বাস্থ্য সমিতিৰ সহযোগত কালি টীয়ক বিধানসভা সমষ্টিভিত্তিক স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত টীয়ক সমজিলাৰ অন্তৰ্গত বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়।

হোজাই জিলা প্ৰশাসনৰ উদ্যোগত বিন্নাকান্দি সমষ্টিভিত্তিক স্বাস্থ্য শিবিৰ আজি অনুষ্ঠিত হয়। এই শিবিৰত ১৮ বছৰ তলৰ ল'ৰা-ছোৱালীৰ ৰোগ নিৰ্ণয় কৰাৰ বাবে স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। ৫ হাজাৰ ৪২৩গৰাকী ৰোগী আজি শিবিৰলৈ আহে যদিও ইয়াৰে এহেজাৰ ৮৭৩গৰাকীৰ পঞ্জীয়ন কৰি স্বাস্থ্য সেৱা গ্ৰহণ কৰে বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০

সমাপ্ত